**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-10-2023
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ ৰাজস্থানৰ যোধপুৰ আৰু মধ্যপ্ৰদেশৰ জববলপুৰত কেইবাটাও প্ৰকল্প উদ্বোধন কৰাৰ লগতে আনকেইটামানৰ আধাৰশিলা স্থাপন কৰিব।

২। চিকিমত হোৱাৰ ডাৱৰ বিস্ফোৰণৰ ফলত ৰাজ্যখনৰ ভালেমান ঠাই আজি নিচেই পুৱাতে বানৰ কবলত পৰিছে। ২৩ গৰাকী সেনাজোৱান সন্ধানহীন হোৱা বুলি বাতৰি প্ৰকাশ পাইছে।

৩।এছিয়ান গেমছৰ মহিলাৰ বক্সিঙৰ ৭৫ কেজি শাখাত অসমৰ লাভলীনা বৰগোহাঁয়ে ৰূপৰ পদক অৰ্জন কৰিছে। আৰু

৪। এছিয়ান গেমছত ভাৰতে বৰ্তমানলৈকে ১৬টা সোণ, ২৭টা ৰূপ আৰু ৩১টা ব্ৰঞ্জসহ মুঠ ৭৪টা পদক লাভ কৰিছে। ভাৰত সম্প্ৰতি প্ৰতিযোগিতাৰ পদক তালিকাৰ চতুৰ্থ স্থানত আছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ ৰাজস্থানৰ যোধপুৰত কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে আন কেইটামান উন্নয়নমূলক প্ৰকল্পও ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰিব। এনে প্ৰকল্পৰ ভিতৰত স্থলপথ, ৰে'লপথ, আকাশীপথ, স্বাস্থ্যসেৱা আৰু উচ্চশিক্ষা খণ্ডৰ প্ৰায় ৫ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ উন্নয়নমূলক প্ৰকল্পক সামৰি লোৱা হৈছে।

প্ৰধানমন্ত্ৰীয়ে কাইলৈ আধাৰশিলা স্থাপন আৰু আনুষ্ঠানিকভাবে মুকলি কৰিবলগীয়া এনে প্ৰকল্পৰ উল্লেখযোগ্য কেইটামান হ'ল- যোধপুৰত স্থাপন কৰিবলগীয়া সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান, এইমছৰ ৩৫০খন বিচনাযুক্ত এখন অত্যাধুনিক চিকিৎসালয়, প্ৰধানমন্ত্ৰী আয়ুস্মান ভাৰত স্বাস্থ্য আন্তঃগাঁথনি অভিযান, PM-ABHIMৰ অধীনত ৰাজ্যখনৰ ভিন ভিন স্থানত স্থাপন কৰিবলগীয়া ৭ টা সংকটকালীন পৰিচৰ্যা কেন্দ্ৰ আৰু ৪৮০ কোটি টকা ব্যয় সাপেক্ষে যোধপুৰ বিমান বন্দৰত নিৰ্মাণ কৰিবলগীয়া এটা অত্যাধুনিক টাৰ্মিনেল ভৱন। এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰীগৰাকীয়ে ৰাজস্থানত নতুনকৈ আৰম্ভ কৰিবলগীয়া তিনিখন ৰে'লগাড়ীৰ সেৱাও আনুষ্ঠানিকভাবে মুকলি কৰিব। এই ৰে'লগাড়ীকেইখনৰ ভিতৰত এখন ঐতিহ্য শ্ৰেণীৰ ৰে'লগাড়ীও থাকিব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ বিয়লি মধ্যপ্ৰদেশৰ জববলপুৰত ১২ হাজাৰ ৬০০ কোটি টকাতকৈও অধিক পৰিমাণৰ পুঁজি ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্প উদ্বোধন কৰাৰ লগতে আনকেইটামানৰ আধাৰশিলা স্থাপন কৰিব। এনে প্ৰকল্পসমূহৰ ভিতৰত ৰে'লপথ, স্থলপথ, গেছ্ পাইপ লাইন, বাসগৃহ আৰু খোৱাপানীৰ সৈতে জড়িত ভালেমান প্ৰকল্প আছে। ৰাজ্যখনৰ ইন্দোৰত ৰূপায়ণ কৰিবলগীয়া লঘু গৃহ প্ৰকল্পই প্ৰধানমন্ত্ৰীৰ সকলোৰে বাবে

বাসগৃহৰ লক্ষ্য পূৰণৰ দিশত শক্তিশালী বৰঙণি আগবঢ়াব বুলি আশা কৰা হৈছে। **প্ৰধানমন্ত্ৰী আবাস যোজনা, নগৰীয়া**ৰ অধীনত প্ৰায় ১২৮ কোটি টকা ব্যয় সাপেক্ষে ৰূপায়ণ কৰিবলগীয়া এই আঁচনিয়ে ১ হাজাৰতকৈও অধিক সংখ্যক উপভোক্তা পৰিয়ালক উপকৃত কৰিব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰধানমন্ত্ৰী স্বনিধি আঁচনিৰ হিতাধিকাৰীৰ সংখ্যাই ৫০ লাখ অতিক্ৰম কৰা কাৰ্যত সন্তুষ্টি প্ৰকাশ কৰিছে। গৃহ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰালয়ে সামাজিক মাধ্যমত দিয়া এটা পোষ্টৰ প্ৰতি সঁহাৰি জনাই প্ৰধানমন্ত্ৰীয়ে কয় যে, এই আঁচনিখনে পদপথৰ ব্যৱসায়ীসকলৰ জীৱন ধাৰণৰ মান উন্নত কৰাই নহয়, ইয়াৰ ফলত তেওঁলোকলৈ মৰ্যাদা সহকাৰে জীয়াই থাকিব পৰাৰ সুবিধাও আগবঢ়াব পৰা হৈছে।

০০০০

কেন্দ্ৰীয় চৰকাৰে নেচনেল লিবাৰেশ্বন ফ্ৰণ্ট অৱ ত্ৰিপুৰা চমুকৈ এন এল এফ টি আৰু অল ত্ৰিপুৰা টাইগাৰ ফোৰ্চ চমুকৈ এ টি টি এফৰ আটাইকেইটা ফৈদক বেআইনী কাম-কাজ প্ৰতিৰোধী আইনৰ অধীনত বেআইনী সংগঠন বুলি ঘোষণা কৰিছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে এই সংগঠনকেইটাক ৫ বছৰৰ বাবে নিষিদ্ধ কৰিছে। গৃহ মন্ত্ৰালয়ৰ তৰফৰ পৰা কালি জাৰি কৰা এখন অধিসূচনাত এইবুলি কোৱা হৈছে যে চৰকাৰে এন এল এফ টি আৰু এ টি টি এফৰ কাম-কাজক ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতাৰ প্ৰতি ক্ষতিকাৰক আৰু সংগঠন দুটাক বেআইনী বুলি গণ্য কৰে। সংগঠনকেইটাই চৰকাৰক অৱমাননা কৰি কূটাঘাটমূলক আৰু হিংসাত্মক কাম-কাজত জড়িত হৈ আহিছে আৰু নিজৰ লক্ষ্য প্ৰাপ্তিৰ উদ্দেশ্যে জনসাধাৰণৰ মাজত সন্ত্ৰাস আৰু হিংসাৰ সৃষ্টি কৰি আহিছে। মন্ত্ৰালয়ে লগতে কৈছে যে যদিহে এই সংগঠনকেইটাৰ বিৰুদ্ধে ততালিকে নিয়ন্ত্ৰণমূলক ব্যৱস্থা গ্ৰহণ কৰা নহয় তেন্তে তেওঁলোকে নিজৰ ৰাষ্ট্ৰদ্ৰোহী, বিচ্ছিন্নতাবাদী আৰু হিংসাত্মক কাৰ্যকলাপ বৃদ্ধিৰ বাবে সদস্যসকলক উত্তেজিত কৰি তুলিব পাৰে। সংগঠনকেইটাই ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতাৰ প্ৰতি ক্ষতিকাৰক শক্তিসমূহৰ সৈতে লগ লাগি ৰাষ্ট্ৰ বিৰোধী কাৰ্যকলাপৰ প্ৰসাৰ কৰিব পাৰে বুলিও মন্ত্ৰালয়ে মন্তব্য কৰিছে।০০০০০০

চিকিমত হোৱাৰ ডাৱৰ বিস্ফোৰণৰ ফলত গ্লেছিয়েল হ্ৰদ, লোনাক হ্ৰদ আৰু তিস্তা নৈৰ অৱবাহিকাকে ধৰি জলাশয়সমূহত আকস্মিকভাবে জলস্তৰ বৃদ্ধি পোৱাৰ ফলত ৰাজ্যখনৰ ভালেমান ঠাই আজি নিচেই পুৱাতে বানৰ কবলত পৰিছে। ৰাজ্যখনৰ দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে এই কথা প্ৰকাশ কৰিছে। আকস্মিকভাবে হোৱা এই বানৰ ফলত পাকিয়ং জিলাত সেনাবাহিনীৰ ২৩ গৰাকী জোৱান সন্ধানহীন হৈ পৰা বুলি বাতৰি প্ৰকাশ পাইছে। জিলাখনৰ বাৰডাঙত কেইবাখনো যান-বাহন বানত বুৰ যোৱাৰ লগতে অঞ্চলটোৰ পৰা এজন সেনা জোৱানো উদ্ধাৰ কৰা হৈছে। পৰিস্থিতিৰ বুজ লোৱাৰ উদ্দেশ্যে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী প্ৰেম সিং তামাং ইতিমধ্যে ছিংটামত উপস্থিত হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে ভুক্তভোগী লোকসকলক সাক্ষাৎ কৰি চৰকাৰৰ ফালৰ পৰা সকলোধৰণৰ প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণৰ নিশ্চয়তা প্ৰদানৰ লগতে জনসাধাৰণক আশংকা পৰিহাৰ কৰি সতৰ্ক হৈ থাকিবলৈ আহ্বান জনাইছে। তেওঁ লগতে ছিংটামত সংশ্লিষ্ট চৰকাৰী বিভাগসমূহৰ বিষয়াসকলৰ সৈতে এখন জৰুৰী বৈঠকতো অংশগ্ৰহণ কৰে।

ৰাজ্যখনৰ মংগন, গেংটক, পাকিয়ং আৰু নামচি জিলাৰো ভালেমান ঠাই বানৰ কবলত পৰাৰ ফলত ব্যাপক পৰিমাণৰ ক্ষয়-ক্ষতি হোৱা বুলি প্ৰকাশ পাইছে। এই জিলাকেইখনৰ কেইবাখনো দলং পানীৰ প্ৰবল সোঁতত

ভাগি পৰাৰ লগতে বহুসংখ্যক বাসগৃহ বানে উটুৱাই নিছে। মংগন জিলাত এখন দলং ধবংসপ্ৰাপ্ত হোৱাৰ ফলত চুংতাঙকে ধৰি  ঠায়ে ঠায়ে যোগযোগ ব্যৱস্থা ব্যাহত হৈ পৰিছে। আনহাতে ছাংখালাং এলেকাত জি আৰ ই এফৰ দুজন শ্ৰমিক সন্ধানহীন হোৱা বুলিও বাতৰি প্ৰকাশ পাইছে। আনহাতে গেংটক জিলাত বানৰ ফলত আৱদ্ধ হৈ পৰা ২৫ গৰাকী লোকক এছ ডি আৰ এফে উদ্ধাৰ কৰিবলৈ সমৰ্থ হৈছে। এই প্ৰাকৃতিক দুৰ্যোগৰ প্ৰতি লক্ষ্য ৰাখি মংগন, গেংটক, পাকিয়ং আৰু নামচি জিলাত অহা ৮ অক্টোবৰ পৰ্যন্ত চৰকাৰী আৰু ব্যক্তিগত খণ্ডৰ সকলো বিদ্যালয় বন্ধ ৰখাৰ বাবে প্ৰশাসনে নিৰ্দেশ দিছে।

ইপিনে নামচি জিলাত এল ডি কাজী দলং আৰু ইন্দ্ৰেনী দলং পানীৰ সোঁতে উটুৱাই নিয়াৰ লগতে বৃহত্তৰ এলেকাটোৰ প্ৰায় ৫০০গৰাকী লোকে শিবিৰত আশ্ৰয় গ্ৰহণ কৰিবলগীয়া হৈছে। অঞ্চলটোৰ প্ৰণামী মন্দিৰত এটা স্থায়ী আশ্ৰয় শিবিৰ স্থাপন কৰা হৈছে। শেহতীয়া এই প্ৰাকৃতিক দুৰ্যোগৰ ফলত শিলিগুৰি হৈ পশ্চিমবংগৰ সৈতে ৰাজ্যখনৰ যাতায়াত ব্যৱস্থা ১০ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কমেও চাৰিটা স্থানত ব্যাহত হৈ পৰিছে।

০০০০

এছিয়ান গেমছৰ মহিলাৰ বক্সিঙৰ ৭৫ কেজি শাখাত অসমৰ লাভলীনা বৰগোহাঁয়ে ৰূপৰ পদক অৰ্জন কৰিছে। প্ৰতিযোগিতাৰ ক্ষন্তেক সময়ৰ পূৰ্বে অনুষ্ঠিত চূড়ান্ত খেলখনত লাভলীনাই চীনৰ লী-কিয়ানৰ হাতত পৰাভূত হয়। খেলুৱৈগৰাকীয়ে কালি অনুষ্ঠিত ছেমি ফাইনেলত ছেমিফাইনেলত থাইলেণ্ডৰ বেইছন মানিকনক ৫-০ ফলাফলত পৰাভূত কৰিছিল। আজিৰ খেলখনত তীব্ৰ প্ৰতিন্দন্দীতা আগবঢোৱাৰক পাছতো পৰাজয় বৰণ কৰি খেলুৱৈগৰাকী ৰূপৰ পদকতে সন্তুষ্ট হ'বলগীয়া হয়।

০০০০

চীনৰ হাংচ'অ'ত অনুষ্ঠিত এছিয়ান গেমছৰ আৰ্চাৰী প্ৰতিযোগিতাত ভাৰতৰ জ্যোতি সুৰেখা ৱেন্নাম আৰু অজাছ দেওতোলেৰ যুটিয়ে সোণৰ পদক অৰ্জন কৰিছে। তেওঁলোকে এই শাখাৰ কম্পাউণ্ড মিক্সড টীম চূড়ান্ত প্ৰতিযোগিতাত কোৰিয়া গণতন্ত্ৰৰ প্ৰতিদ্বন্দ্বীক ১৫৯-১৫৮ ব্যৱধানত পৰাস্ত কৰি খিতাপ দখল কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পূৰ্বে প্ৰতিযোগিতাৰ আজি দশম দিনৰ খেলত ভাৰতৰ ৰাম বাবু আৰু মঞ্জু ৰাণীয়ে ৩৫ কিলোমিটাৰ মিক্সড ৰিলে ৰে'চ প্ৰতিযোগিতাত ব্ৰঞ্জৰ পদকেৰে দেশৰ হৈ পদক দখলৰ প্ৰক্ৰিয়া আৰম্ভ কৰে। উল্লেখযোগ্য যে, বৰ্তমানলৈ মুঠ ৭১ টা পদকেৰে পদকৰ তালিকাত ভাৰতে চতুৰ্থ স্থান অধিকাৰ কৰি আছে। সম্প্ৰতি প্ৰথম তিনিটা স্থানত থকা দেশকেইখন হ'ল চীন, জাপান আৰু কোৰিয়া।

আনহাতে বেডমিণ্টনৰ একক শাখাত পি. ভি. সিন্ধু আৰু এইচ. এছ প্ৰণয় কোৱাৰ্টাৰ ফাইনেলত উপনীত হৈছে। সিন্ধুৱে ইণ্ডোনেছিয়াৰ পুত্ৰী কুসুমাক পৰাস্ত কৰাৰ বিপৰীতে প্ৰণয়ে কাজাখস্তানৰ ডিমিট্ৰী পানাৰিনক পৰাভূত কৰে।

ইয়াৰ পূৰ্বে কালি ভাৰতৰ পাৰুল চৌধুৰীয়ে এথলেটিকছৰ মহিলাৰ পাঁচ হাজাৰ মিটাৰ দৌৰত সোণৰ পদক অৰ্জন কৰাৰ বিপৰীতে মহিলাৰ জেভলিন থ্ৰোত অনু ৰাণীয়ে সোণৰ পদক জয় কৰে। তেজস্বিন শংকৰে পুৰুষৰ ডেকাথলনত আৰু মহম্মদ আফজলে পুৰুষৰ ৮০০ মিটাৰ দৌৰত ৰূপৰ পদক লাভ কৰে। আনহাতে, মহিলাৰ ৪০০ মিটাৰ বাধা দৌৰত বিদ্যা ৰামৰাজে দেশৰ হকে ব্ৰঞ্জৰ পদক অৰ্জন কৰাৰ বিপৰীতে অৰ্জুন সিং আৰু সুনীল সিং চালামে পুৰুষৰ এহেজাৰ মিটাৰ ডিঙা চালনাৰ ডাবলছত ব্ৰঞ্জৰ পদক হস্তগত কৰে।

উল্লেখযোগ্য যে, বক্সিঙত লাভলীনা বৰগোহাঁইয়ে কালি ফাইনেলত স্থান নিশ্চিত কৰাৰ লগে লগে খেলুৱৈগৰাকীয়ে পেৰিছ অলিম্পিকলৈ  যোগ্যতাও অৰ্জন কৰাৰ বিষয়ে আমাৰ আগৰ বাতৰিতে প্ৰকাশ পাইছে।

ভাৰতে এইবাৰৰ এছিয়ান গেমছত বৰ্তমানলৈকে ১৬টা সোণ, ২৭টা ৰূপ আৰু ৩১টা ব্ৰঞ্জসহ মুঠ ৭৪টা পদক লাভ কৰিছে। ভাৰত সম্প্ৰতি প্ৰতিযোগিতাৰ পদক তালিকাৰ চতুৰ্থ স্থানত আছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এছিয়ান গেমছত ভাৰতীয় খেলুৱৈৰ অসাধাৰণ প্ৰদৰ্শনক লৈ সন্তোষ প্ৰকাশ কৰিছে। আজি সামাজিক মাধ্যম যোগে প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে, এছিয়ান গেমছত ভাৰত পূৰ্বতকৈ উজ্জ্বল হৈ উঠিছে। তেওঁ কয় যে, ভাৰত এতিয়ালৈকে সৰ্বশ্ৰেষ্ঠ পদকৰ সংখ্যালৈ উন্নীত হৈছে। এয়া দেশৰ খেলুৱৈসকলৰ অতুলনীয় নিষ্ঠা আৰু কঠোৰ পৰিশ্ৰমৰ ফল বুলি তেওঁ উল্লেখ কৰে।

০০০০

ক্ৰীড়ী মন্ত্ৰী অনুৰাগ সিং ঠাকুৰে কয় যে, এছিয়ান গেমছত ভাৰতে এতিয়ালৈকে সৰ্বোত্তম প্ৰদৰ্শন আগবঢ়াইছে। শ্ৰীঠাকুৰে সামাজিক মাধ্যমৰ এটা পোষ্টত কয় যে, বিভিন্ন ক্ৰীড়া শাখাৰ প্ৰতিভাৱান খেলুৱৈয়ে এই ঐতিহাসিক কৃতিত্ব সম্ভৱ কৰি তুলিছে। অহা দেওবাৰে ১৯ সংখ্যক এছিয়ান গেমছৰ সামৰণি পৰিব। ২০১৮ চনত জাকাৰ্ট এছিয়ান গেমছত ভাৰতে ৭০ টা পদক লাভ কৰিছিল। এইবাৰ হাংচ`অ`ত ভাৰতে এতিয়ালৈকে মুঠ ৭৪ টা পদক লাভ কৰিছে।

০০০০